**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 31-12-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ধবজাবাহী অনুষ্ঠান পৰীক্ষা-পে-চৰ্চাৰ বাবে পঞ্জীয়নৰ সংখ্যাই কালিৰ দিনটোলৈকে ৩ কোটি অতিক্ৰম কৰাৰ ফলত এইক্ষেত্ৰত নতুন অভিলেখৰ সৃষ্টি কৰিছে।

২। বাংলাদেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী বেগম খালেদা জিয়াৰ শেষকৃত্যৰ অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড০ এছ্ জয়শংকৰ ইতিমধ্যে ঢাকাত উপস্থিত হৈছে।

৩। মণিপুৰৰ চুড়াচান্দপুৰৰ তেইজাঙৰ টিউৰেল নৈত আজি এখন এম্বুলেঞ্চ পথৰ পৰা বাগৰি পৰাত চালকসহ তিনিজন লোকে প্ৰাণ হেৰুৱায়।

৪। চি বি এছ্ ইয়ে ইয়াৰ অধীনৰ দশম আৰু দ্বাদশ শ্ৰেণীৰ পৰীক্ষাৰ সংশোধিত দিন-বাৰ ঘোষণা কৰিছে।

*আৰু*

৫। ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ মহিলা ক্ৰিকেট দলৰ টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাটো ভাৰতীয় দলটোৱে ৫-০ ফলাফলেৰে হস্তগত কৰিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ধবজাবাহী অনুষ্ঠান পৰীক্ষা-পে-চৰ্চাৰ বাবে পঞ্জীয়নৰ সংখ্যাই কালিৰ দিনটোলৈকে ৩ কোটি অতিক্ৰম কৰাৰ ফলত এইক্ষেত্ৰত নতুন অভিলেখৰ সৃষ্টি কৰিছে। কেন্দ্ৰীয় শিক্ষা মন্ত্ৰালয়ে এই তথ্য প্ৰকাশ কৰি ইয়াৰ ফলত এই অনুষ্ঠানে এটা প্ৰকৃত জন আন্দোলনৰ ৰূপ পৰিগ্ৰহ কৰা বুলি উল্লেখ কৰিছে। পৰীক্ষা-পে-চৰ্চা অনুষ্ঠানৰ ক্ৰমবৰ্ধমান জনপ্ৰিয়তাক প্ৰতিফলিত কৰি দেশৰ ভিন ভিন স্থানৰ ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু শিক্ষক-শিক্ষয়িত্ৰীয়ে ইয়াত অংশগ্ৰহণৰ বাবে আগ্ৰহ প্ৰকাশ কৰিছে বুলি মন্ত্ৰালয়ে জানিবলৈ দিয়ে। উল্লেখযোগ্য যে শিক্ষাৰ্থীসকলৰ মানসিক উৎকৰ্ষ সাধনৰ লগতে পৰীক্ষাৰ ক্ষেত্ৰত ইতিবাচক দৃষ্টিভংগীৰ প্ৰসাৰ সাধনৰ উদ্দেশ্যে এই অনুষ্ঠানৰ আৰম্ভণি ঘটোৱা হৈছিল।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা শনিবাৰে নতুন দিল্লীত ৰায় পিথোৰা সাংস্কৃতিক চৌহদত পবিত্ৰ পিপৰহৱা অৱশেষৰ প্ৰদৰ্শনী উদ্বোধন কৰে। উনবিংশ শতিকাৰ শেষ ভাগত আবিষ্কৃত পিপৰহৱা অৱশেষ শাক্য বংশৰ প্ৰতিষ্ঠাতা গৌতম বুদ্ধৰ সৈতে জড়িত বুলি বিশ্বাস প্ৰচলিত হৈ আহিছে। এই অৱশেষৰ স্বদেশলৈ প্ৰত্যাৱৰ্তন আৰু ৰাজহুৱা প্ৰদৰ্শিনীয়ে দেশৰ সাংস্কৃতিক ঐতিহ্যৰ সংৰক্ষণ আৰু বুদ্ধৰ শিকণিসমূহত নিহিত শান্তি, কৰুণা আৰু জ্ঞানৰ সাৰ্বভৌম প্ৰমূল্যৰাজী প্ৰসাৰৰ নিৰন্তৰ প্ৰচেষ্টাকে প্ৰতিফলিত কৰে।

সাংস্কৃতিক মন্ত্ৰালয়ে এই প্ৰদৰ্শনীক দেশৰ সাংস্কৃতিক আৰু কূটনৈতিক ইতিহাসৰ এটা উল্লেখযোগ্য ক্ষণ বুলি অভিহিত কৰিছে। বিশ্বৰ বৌদ্ধ ধৰ্মাৱলম্বী লোকসকলে এই অৱশেষক বিশেষ সন্মান দি আহিছে। সাংস্কৃতিক মন্ত্ৰালয়ে পদ্মালোকঃ আধ্যাত্মিক ভাৱে জাগ্ৰত ব্যক্তিৰ অৱশেষ নামেৰে আয়োজন কৰা এই সাংস্কৃতিক প্ৰদৰ্শনীত পিপৰহৱা অৱশেষৰ সৈতে জড়িত গুৰুত্বপূৰ্ণ সামগ্ৰী প্ৰদৰ্শন কৰা হ'ব।

000000000

বাংলাদেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী তথা বাংলাদেশ নেচনেলিষ্ট পাৰ্টি .বি এন পিৰ অধ্যক্ষা বেগম খালেদা জিয়াৰ শেষকৃত্যৰ অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড০ এছ্ জয়শংকৰ আজি ঢাকাত উপস্থিত হয়। বিদেশ মন্ত্ৰীগৰাকীক কঢ়িয়াই নিয়া এখন বিশেষ বিমান আজি পুৱা হজৰত শ্বাহ জালাল আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত উপস্থিত হোৱাৰ পাছত বাংলাদেশত থকা ভাৰতীয় উচ্চায়ুক্ত প্ৰণয় বাৰ্মা আৰু ভাৰতীয় উচ্চায়োগৰ আন জ্যেষ্ঠ বিষয়াসকলে তেওঁক আদৰণি জনায়।

কিছু সময়ৰ পাছতে ঢাকাৰ মানিক মিয়া এভিনিউত হ'বলগীয়া খালেদা জিয়াৰ অন্ত্যেষ্টিক্ৰিয়াৰ অনুষ্ঠানত ভিন ভিন দেশৰ বহুকেইগৰাকী প্ৰতিনিধি তথা ৰাজনৈতিক নেতাই অংশগ্ৰহণ কৰি দেশখনৰ ভূতপূৰ্ব প্ৰধানমন্ত্ৰীগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰিব বুলি আকাশবাণীৰ সংবাদদাতাই জানিবলৈ দিছে।

0000000

মণিপুৰৰ চূড়াচান্দপুৰৰ তেইজাঙৰ টিউৰেল নৈত আজি এখন এম্বুলেঞ্চ পথৰ পৰা বাগৰি পৰাত চালকসহ তিনিজন লোকে প্ৰাণ হেৰুৱায়। দুৰ্ঘটনাৰ পাছত স্থানীয় লোকে নৈৰ পৰা এম্বুলেঞ্চসহ দুটা মৃতদেহ উদ্ধাৰ কৰে। বৰ্তমানলৈকে এজন লোকৰ মৃতদেহ উদ্ধাৰ হোৱা হোৱা নাই।

0000000

জল শক্তি মন্ত্ৰ্যালয়ে জল সঞ্চয় জন ভাগিদাৰী পুৰস্কাৰৰ ছবিৰ অপব্যৱহাৰ হোৱা বুলি সামাজিক মাধ্যমত উত্থাপিত অভিযোগ খণ্ডন কৰিছে। মন্ত্ৰ্যালয়ে এই অভিযোগ ভিত্তিহীন আৰু বিভ্ৰান্তিকৰ বুলি মন্তব্য কৰিছে। জল সঞ্চয়ক জন আন্দোলন হিচাপে গঢ়ি তোলৰ উদ্দেশ্যে ২০২৪ চনৰ ৬ ছেপ্তেম্বৰত জল সঞ্চয় জন ভাগিদাৰী উদ্যম আৰম্ভ কৰা হৈছিল। এই উদ্যমৰ অধীনত বৰষুণৰ পানী সঞ্চয় প্ৰণালী আৰু গভীৰ নলী-নাদৰ পুনৰ উজ্জীৱিতকৰণৰ দৰে কম খৰচী জল সঞ্চয় পৰিকাঠামো নিৰ্মাণৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

0000000

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ – চি বি এছ্ ইয়ে ইয়াৰ অধীনৰ দশম আৰু দ্বাদশ শ্ৰেণীৰ পৰীক্ষাৰ সংশোধিত দিন-বাৰ ঘোষণা কৰিছে। চি বি এছ্ ইয়ে প্ৰকাশ কৰা মতে দশম শ্ৰেণীৰ পৰীক্ষা ৩ মাৰ্চৰ পৰিৱৰ্তে ১১ মাৰ্চৰ পৰা আৰম্ভ হ'ব। একেদৰে দ্বাদশ শ্ৰেণীৰ পৰীক্ষা নতুন সূচী অনুযায়ী ৩ মাৰ্চৰ পৰিৱৰ্তে ১০ এপ্ৰিলৰ পৰা অনুষ্ঠিত হ'ব। প্ৰশাসনিক কাৰণত পৰীক্ষাৰ সূচী সলনি কৰা হৈছে বুলি চি বি এছ্ ইয়ে প্ৰকাশ কৰিছে। পৰিষদে লগতে বিদ্যালয়সমূহক সংশ্লিষ্ট শিক্ষাৰ্থী আৰু অভিভাৱকসকলক এই বিষয়ে অৱগত কৰিবলৈ কৈছে।

0000000

দেশৰ উত্তৰ অংশত আজি ঘন কুঁৱলীৰ বাবে ৰে'ল আৰু বিমান সেৱা ব্যাহত হয়। ৰে'লৱেৰ দিল্লীৰ সংমণ্ডলে প্ৰকাশ কৰা মতে কুঁৱলীৰ বাবে দিল্লী অভিমুখী ৫০ খনতকৈ অধিক ৰে'লগাড়ী নিৰ্ধাৰিত সময়তকৈ পলমকৈ চলি আছে। বেয়া বতৰৰ বাবে বিমানৰ উৰণ-অৱতৰণতো উৰণো প্ৰভাৱিত হৈছে। দিল্লী বিমান

বন্দৰৰ সূত্ৰই প্ৰকাশ কৰা মতে ঘন কুঁৱলী আৰু দৃশ্যমানতা হ্ৰাস পোৱাৰ বাবে ১৪৭ খন বিমানৰ উৰণ বাতিল কৰা হৈছে।

অসামৰিক বিমান পৰিৱহণ মন্ত্ৰালয়ে বিমান পৰিবহণ সংস্থাসমূহক বিমান সেৱাৰ বিলম্বৰ তথ্য সময়মতে উপলব্ধ কৰোৱা, পুনৰ বুকিং অথবা বুকিঙৰ ধন ঘূৰাই দিয়াকে ধৰি যাত্ৰী সেৱাৰ নিয়মসমূহ মানি চলিবলৈ নিৰ্দেশ দিছে। যাত্ৰীৰ নিৰাপত্তা আৰু সুবিধা সৰ্বোচ্চ অগ্ৰাধিকাৰৰ বিষয় বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

০০০০০০০

কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে পাঞ্জাবত এম জি এনৰেগাকে ধৰি বিভিন্ন আঁচনি ৰূপায়ণত ব্যাপক দুৰ্নীতি হোৱা বুলি অভিযোগ তুলিছে। শ্ৰী চৌহানে কালি ভূপালত এখন সংবাদমেলত কয়, যে বিত্তীয় হৰলুকিৰ প্ৰায় ১০ হাজাৰ ৬৫৩ টা গোচৰ পোহৰলৈ আহিছে যদিও ৰাজ্য চৰকাৰে এইক্ষেত্ৰত কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। তেওঁ লগতে এম জি এনৰেগাৰ অধীনত অনুমতি নথকা কাম-কাজৰ বাবে অনিয়মীয়া ব্যয়ৰ অভিযোগ তোলে। মন্ত্ৰীগৰাকীয়ে কয়, যে শ্ৰমিকসকলে তেওঁলোকৰ মজুৰি নিদিয়া বুলি অভিযোগ তুলিছে। ৰাজ্যখনৰ ১৩ হাজাৰ ৩০৪ খন পঞ্চায়তৰ ভিতৰত মাত্ৰ ৫ হাজাৰ ৯১৫ খনতহে হিচাপ-নিকাচ হোৱা বুলি দাবী কৰে।

০০০০০০০

২০৪৭ চনৰ ভিতৰত ভাৰতবৰ্ষ উন্নত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ যাত্ৰাত নতুন অধ্যায়ৰ সূচনা কৰি চৰকাৰে চলিত বৰ্ষত ভালেমান ঐতিহাসিক সংস্কাৰৰ পদক্ষেপ লৈছে বুলি তথ্য আৰু সম্প্ৰচাৰ ৰাজ্য মন্ত্ৰী এল মুৰুগনে প্ৰকাশ কৰিছে। নতুন দিল্লীত ইংৰাজী ২০২৬ বৰ্ষৰ দিনপঞ্জী মুকলি কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে সৰ্বাত্মক বিকাশ, অৰ্থনীতিৰ স্থিতিস্থাপকতা গুণৰ সুদৃঢ়কৰণ আৰু দেশৰ দীৰ্ঘকালীন উন্নয়নৰ বাবে স্থায়ী ভেটি গঢ়াৰ স্পষ্ট লক্ষ্যৰে এই সংস্কাৰসমূলক কাৰ্যসূচী গ্ৰহণ কৰা হৈছে।

অনুষ্ঠানত অংশগ্ৰহণ কৰি তথ্য আৰু সম্প্ৰচাৰ বিভাগৰ সচিব সঞ্জয় জাজুই কয়, যে দিনপঞ্জীখনৰ আৰ্হিত অতি সতৰ্কতাৰে প্ৰস্তুত কৰা হৈছে আৰু ইয়াৰ জৰিয়তে চৰকাৰৰ বিভিন্ন অগ্ৰাধিকাৰসমূহ ফুটাই তোলা হৈছে।

০০০০০০০

দক্ষিণ পেৰুত মাচ্ছু পিচ্ছু অভিমুখে পৰ্যটকক কঢ়িয়াই নিয়া দুখন ৰে'লগাড়ীৰ মাজত খুন্দা লগাৰ ফলত এগৰাকী ৰে'লপথৰ কৰ্মীয়ে প্ৰাণ হেৰুৱাৰ লগতে প্ৰায় ৩০ গৰাকী যাত্ৰী আহত হয়। পুৰাতাত্বিক দিশৰ পৰা গুৰুত্বপূৰ্ণ স্থান ক'ৰিৰেৰাচিনাৰ ওচৰত সংঘটিত এই দুৰ্ঘটনাটোৰ ফলত মাচ্ছু পিচ্ছু আৰু কুজ্‌কোৰ মাজত ৰে'লগাড়ীৰ চলাচল বাতিল কৰা হয়। কালি সংঘটিত এই দুৰ্ঘটনাটোৰ পৰিপ্ৰেক্ষিতত ৰে'ল বিভাগে এই অঞ্চলটোত সকলো ৰে'লপথ সাময়িকভাৱে বন্ধ কৰি থোৱা বুলি কুজ্‌কোৰ আৰক্ষী বিভাগে প্ৰকাশ কৰিছে। এই দুৰ্ঘটনাটোৰ কাৰণ সন্দৰ্ভত বৰ্তমানলৈ কোনো তথ্য প্ৰকাশ কৰা হোৱা নাই। উল্লেখযোগ্য যে বছৰি প্ৰায় ১৫ লাখ পৰ্যটকে দৰ্শন কৰা মাচ্ছু পিচ্ছু লৈ যাতায়াতৰ বাবে ৰে'লপথেই সুচল ব্যৱস্থা হিচাপে পৰিগণিত হৈ আহিছে যদিও সময়ে সময়ে ৰাজনৈতিক প্ৰতিবাদ আৰু ৰে'লপথ অৱৰোধৰ ফলত এই পৰ্যটনস্থলীলৈ পৰ্যটকৰ যাতায়াত ব্যাহত হৈ পৰে।

০০০০০০০

ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ মহিলা ক্ৰিকেট দলৰ টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাটো ভাৰতীয় দলটোৱে ৫-০ ফলাফলেৰে হস্তগত কৰিছে। কালি তিৰুৱনন্তপুৰমত অনুষ্ঠিত প্ৰতিযোগিতাৰ পঞ্চম তথা অন্তিমখন খেলত ভাৰতে শ্ৰীলংকাক ১৫ ৰানত পৰাজিত কৰে। খেলখনত ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ১৭৫ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত শ্ৰীলংকাই নিৰ্ধাৰিত অভাৰত ৭ উইকেটৰ বিনিময়ত ১৬০ ৰানহে কৰিবলৈ সমৰ্থ হয়।

০০০০০০০

দোহাত অনুষ্ঠিত FIDE বিশ্ব ব্লিট্‌জ দবা প্ৰতিযোগিতাত ব্ৰঞ্জৰ পদক লাভ কৰা অৰ্জুন এৰিগেইছিক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অভিনন্দন জনাইছে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত শ্ৰীমোদীয়ে খেলুৱৈগৰাকীৰ দক্ষতা, ধৈৰ্য আৰু নিষ্ঠাক ভূয়সী প্ৰশংসা কৰে। তেওঁৰ এই সফলতাই দেশৰ যুৱ প্ৰজন্মক উৎসাহিত কৰি থাকিব বুলিও শ্ৰীমোদীয়ে মত প্ৰকাশ কৰে।

০০০০০০০

সমাপ্ত